इस पुस्तिका में **20** मुद्रित पृष्ठ हैं।
This Booklet contains **20** printed pages.

www.prepp.in

# MVD18–I

परीक्षा पुस्तिका संख्या
Test Booklet No.

Prepp
Your Personal Exams Guide

LANG. CODE
**03**

## प्रश्न-पत्र—I / PAPER—I
## असमिया भाषा परिशिष्ट / ASSAMESE LANGUAGE SUPPLEMENT
## भाग IV & V / PART IV & V

परीक्षा पुस्तिका संकेत
**Test Booklet Code**
**I**

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए।**
**Do not open this Test Booklet until you are asked to do so.**

**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ संख्या 20) पर दिए गए निर्देशों को ध्यान से पढ़ें।**
**Read carefully the Instructions on the Back Cover (Page No. 20) of this Test Booklet.**

**असमिया में निर्देशों के लिए इस पुस्तिका की पृष्ठ संख्या 2 व 19 देखें।**
**For Instructions in Assamese, see Page Nos. 2 and 19 of this Booklet.**

### *परीक्षार्थियों के लिए निर्देश :*

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका का एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग—IV (भाषा—I) **या** भाग—V (भाषा—II) **असमिया** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं**।
2. परीक्षार्थी भाग I, II, III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से।
3. अंग्रेजी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग—IV व भाग—V के अन्तर्गत दिए गए हैं। भाषा परिशिष्टों को आप अलग से माँग सकते हैं।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर-पत्र पर निशान लगाने के लिए **केवल काले/नीले बॉलपॉइंट पेन** का प्रयोग करें।
5. इस भाषा पुस्तिका का **संकेत I** है। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट परीक्षा पुस्तिका का संकेत, उत्तर-पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है। अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं तथा प्रत्येक 1 अंक का है :

   भाग—IV : भाषा—I (असमिया) (प्रश्न सं० 91–120)
   भाग—V : भाषा—II (असमिया) (प्रश्न सं० 121–150)
7. भाग—IV में भाषा—I के लिए 30 प्रश्न और भाग—V में भाषा—II के लिए 30 प्रश्न दिए गए हैं। इस परीक्षा पुस्तिका में केवल असमिया भाषा से सम्बन्धित प्रश्न दिए गए हैं। **यदि भाषा—I और/या भाषा—II में आपके द्वारा चुनी गई भाषा(एँ) असमिया के अलावा है/हैं, तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लें। जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन-पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए।**
8. **परीक्षार्थी भाग—V (भाषा—II) के लिए भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा—I (भाग—IV) में चुनी गई भाषा से भिन्न हो।**
9. रफ़ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें।
10. सभी उत्तर केवल OMR उत्तर-पत्र पर ही अंकित करें। अपने उत्तर ध्यानपूर्वक अंकित करें। उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है।

### *Instructions for Candidates :*

1. This Booklet is a Supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part—IV (Language—I) **OR** Part—V (Language—II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Parts I, II, III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part—IV and Part—V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Black/Blue Ballpoint Pen only** for writing particulars on this page/marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **I**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **Two** Parts, IV and V, consisting of **60** Objective-type Questions and each carrying 1 mark :

   Part—IV : Language—I (Assamese) (Q. Nos. 91–120)
   Part—V : Language—II (Assamese) (Q. Nos. 121–150)
7. Part—IV contains 30 questions for Language—I and Part—V contains 30 questions for Language—II. In this Test Booklet, only questions pertaining to Assamese Language have been given. **In case, the language(s) you have opted for as Language—I and/or Language—II is a language other than Assamese, please ask for a Test Booklet that contains questions on that language. The languages being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part—V (Language—II) in a language other than the one chosen as Language—I (Part—IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) : ______________________
Name of the Candidate (in Capital letters)

अनुक्रमांक (अंकों में) : ______________________
Roll Number (in figures)

(शब्दों में) : ______________________
(in words)

परीक्षा-केन्द्र (बड़े अक्षरों में) : ______________________
Centre of Examination (in Capital letters)

परीक्षार्थी के हस्ताक्षर : ______________ निरीक्षक के हस्ताक्षर : ______________
Candidate's Signature Invigilator's Signature

Facsimile Signature Stamp of Centre Superintendent ______________________

এই পৰীক্ষণ-বহীত **20**টা পৃষ্ঠা আছে

www.prepp.in

LANG. CODE
**03**

# MVD18–I

পৰীক্ষণ-বহীখনৰ কোড **I**

## কাকত—I

## অসমীয়া ভাষা

## খণ্ড—IV আৰু V

এই পৰীক্ষণ-বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা।

এই পৰীক্ষণ-বহীখনৰ পিছৰ পৃষ্ঠাত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া।

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :***

1. এই বহীখন মুখ্য পৰীক্ষণ-বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যিয়ে অসমীয়া ভাষাৰ খণ্ড—IV (ভাষা—I) (Part—IV, Language—I) বা খণ্ড—V (ভাষা—II) (Part—V, Language—II)-ৰ উত্তৰ কৰিব বিচাৰে। কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষণ-বহীৰ পৰা—I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড—IV আৰু খণ্ড—V কৰিব লাগিব।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ-বহীৰ সৈতে দিয়া হৈছে। ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **কলা/নীলা বল পেন** ব্যৱহাৰ কৰিবা।
5. এইখন ভাষা বহীৰ (Language Booklet) কোড হ'ল **I**. এইটো নিশ্চিত কৰা যে উত্তৰ-বহীৰ **দ্বিতীয় পিঠি,** মুখ্য পৰীক্ষণ-বহী আৰু ভাষা সহায়কত একেধৰণে এই কোডটো লিখা আছে। পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক (Invigilator) জনাব আৰু ভাষা সহায়ক পৰীক্ষণ-বহী সলাই ল'ব।
6. এই পৰীক্ষণ-বহীৰ দুটা খণ্ড—IV আৰু খণ্ড—V **60** টা চমু ধৰণৰ প্ৰশ্ন (Objective-type Questions) আছে। প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

   খণ্ড—IV : ভাষা—I (অসমীয়া) (প্ৰশ্ন 91ৰ পৰা 120 লৈ)

   খণ্ড—V : ভাষা—II (অসমীয়া) (প্ৰশ্ন 121ৰ পৰা 150 লৈ)
7. খণ্ড—IV ত ভাষা—I ৰ বাবে 30 টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড—V ত ভাষা—II ৰ বাবে 30 টা প্ৰশ্ন দিয়া হৈছে। এই পৰীক্ষণ-বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে। **ভাষাৰ ক্ষেত্ৰত যদি ভাষা—I অথবা ভাষা—II অসমীয়াৰ বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ-বহী খুজি ল'বা। তোমাৰ আৱেদন পত্ৰত (Application Form) উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড—V (ভাষা—II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড—IV (ভাষা—I)ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষণ-বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ-বহীতহে লিপিবদ্ধ কৰিব লাগিব। তোমাৰ উত্তৰবোৰ সযত্নে কৰা। উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা।

প্ৰাৰ্থীৰ নাম : ______________________

ৰোল নম্বৰ (সংখ্যাৰে) : ______________________

(আখৰেৰে) : ______________________

পৰীক্ষাকেন্দ্ৰ : ______________________

প্ৰাৰ্থীৰ চহী : ______________________ নিৰীক্ষকৰ চহী : ______________________

Facsimile signature stamp of Centre Superintendent ______________________

Prepp
Your Personal Exams Guide

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা–I (Language–I)** হিচাপে লৈছে, তেনেহ'লে **Part–IV** ৰ **(প্ৰশ্ন নং 91**-ৰ **পৰা 120 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part–IV (Q. Nos. 91–120)**, if they have opted **ASSAMESE** as **Language–I** only.

# Part—IV / খণ্ড—IV

# Language—I / ভাষা—I

# Assamese / অসমীয়া

Prepp
Your Personal Exams Guide

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা–I (Language–I)** হিচাপে লৈছে, তেনেহ'লে **Part–IV** ৰ (প্ৰশ্ন নং **91**-ৰ পৰা **120** লৈ) উত্তৰ কৰিব।

***নিৰ্দেশ*** : তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং **91**-ৰ পৰা **105** লৈ) তলত চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে। আটাইতকৈ উপযুক্ত বিকল্প উত্তৰটো বাচি উলিওৱাঁ :

**91.** শিকাৰুক যেতিয়া বানান আৰু বিৰামচিহ্ন (punctuation) উন্নত কৰিবলৈ শিকোৱা হয়, তেতিয়া সিহঁতৰ—

(1) শিকন ক্ষমতা তীক্ষ্ণ হয়

(2) শুদ্ধতা বা নিখুঁটতা উন্নত হয়

(3) সলসলীয়াকৈ ক'ব পৰা ক্ষমতা তথা অনৰ্গলতা বৰ্দ্ধিত হয়

(4) সৃষ্টিশীলতাই পুষ্টি পায়

**92.** ভাষাৰ শ্ৰেণী এটাত সংগঠনবাদ (constructivism)-ৰ অৰ্থ হৈছে—

(1) ছাত্ৰ-ছাত্ৰীসকলে বৈসাদৃশ্যমূলক বিভিন্ন ধৰণৰ নমুনা অধ্যয়ন কৰি এটা উপযুক্ত সমাধানত উপনীত হয়।

(2) ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণৰ মাধ্যমৰ ব্যৱহাৰ কৰি নিজৰ নিজৰ সূত্ৰৰ সৃষ্টি কৰে।

(3) ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বোধ গঠন কৰে আৰু বিভিন্ন অভিজ্ঞতাৰ মাজেৰে শব্দৰ জ্ঞান আহৰণ কৰি অভিজ্ঞতাসমূহ ভাষা দক্ষতাৰে প্ৰতিফলিত কৰে।

(4) ছাত্ৰ-ছাত্ৰীসকলে নিজৰ শিকন-সামগ্ৰী প্ৰস্তুত কৰে আৰু প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰে।

**93.** ভাৰতত আঞ্চলিক ভাষাৰ বিকাশৰ ক্ষেত্ৰত তলৰ কোনটো প্ৰত্যাহ্বান হিচাপে ধৰা নহয়?

(1) এই বিষয়ে মানুহৰ অজ্ঞতা

(2) সা-সুবিধাৰ অভাৱ

(3) এই ধাৰণাত থকা দ্ব্যৰ্থকতা

(4) অনুবাদৰ জটিলতা

**94.** ভাষা আহৰণ হৈছে—

(1) কেৱল প্ৰয়োজনীয় শব্দসম্ভাৰৰ ব্যৱহাৰ।

(2) শিশুৱে নিজৰ মাতৃভাষা শিকিব পৰা পৰিবেশক উদগনি যোগোৱা এক কৌশল।

(3) ব্যাকৰণৰ বিশ্লেষণ আৰু বোধৰ কাৰণে এক শৃংখলাগত পদ্ধতি।

(4) মানৱ মস্তিষ্কৰ প্ৰকৃতিগত ক্ষমতাৰ কাৰণে ভাষা শিকাৰ এক প্ৰক্ৰিয়া।

**95.** ভাষাৰ শিক্ষক এজনে লিখন দক্ষতা কেনেদৰে শিকাব পাৰে?

(1) শ্ৰুতলিপি দি

(2) শিশুহঁতক পৰিপাটিকৈ লিখিবলৈ দি

(3) মগজুত চিন্তাৰ খোৰাক যোগোৱা ধাৰণাৰে আৰু শিকাৰুক সিহঁতৰ নিজৰ ভাষাত লিখিবলৈ দি

(4) শিকাৰুক নিবন্ধ শিকিবলৈ দি

www.prepp.in

**96.** ভাষা এটা সলসলীয়াকৈ ক'ব পৰা ক্ষমতা কিদৰে বৃদ্ধি কৰিব পৰা যায়?

(1) ছাত্ৰ-ছাত্ৰীৰ সৈতে কথা পাতি

(2) ছাত্ৰ-ছাত্ৰীয়ে বুজি নাপালে মনে মনে বহি থাকিবলৈ অনুমতি দি

(3) ভুল আঙুলিয়াই সেইবোৰ ঠাইতে শুধৰাই দি

(4) কথোপকথনৰ দ্বাৰা যোগাযোগৰ সুযোগ সৃষ্টি কৰি

**97.** এটা ভাষা শিকোৱাৰ ফলপ্ৰসূ পাঠ এটাৰ আৰম্ভণি হয়—

(1) শিকিবলগীয়া বিষয়বোৰৰ তালিকা প্ৰস্তুতকৰণত

(2) সাৰাংশ কথনৰ পুনৰাবৃত্তি আৰু ছাত্ৰ-ছাত্ৰীক কাৰ্য দি অনুপ্ৰেৰিত কৰি

(3) পাঠটোৰ প্ৰসংগ উত্থাপন কৰি

(4) ব্লেক বোৰ্ডত লিখি

**98.** নিদানমূলক তথা উপচাৰাত্মক শিক্ষণ হৈছে—

(1) এক আদেশাত্মক কাৰ্য

(2) এক নিৰ্দেশমূলক কাৰ্য

(3) এক নঞৰ্থক কাৰ্য

(4) এক সৈদ্ধান্তিক কাৰ্য

**99.** ভাষা দক্ষতা কেনেদৰে শিকোৱা উচিত?

(1) স্পষ্ট ব্যাখ্যাৰ দ্বাৰা

(2) নিৰলে বা একান্তত

(3) একত্ৰিত ধৰণেৰে

(4) অনুকৰণৰ দ্বাৰা

**100.** ভাষা শিকাৰ প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীয়ে উচ্চাৰণ কৰোঁতে আত্মবিশ্বাসৰ অভাৱ দেখা গৈছে। এই অৱস্থাটো কেনেকৈ অতিক্ৰম কৰিব পৰা যাব?

(1) শ্ৰেণীকোঠাত ডাঙৰ ডাঙৰকৈ শব্দ কৰি পঢ়ি

(2) নাট্যকাৰ্যৰ মাজেৰে এনে কাৰ্য দিব লাগে য'ত শিশুহঁতে ইটোৱে সিটোৰ লগত কথা পাতে

(3) ভুলবোৰ ঠাইতে শুধৰাই দি

(4) ভাষা বিশেষজ্ঞৰ সহায় লৈ বিশেষ কাৰ্য বা গতিবিধিৰ আয়োজন কৰি

**101.** প্ৰশ্নকাকত এখন প্ৰস্তুত কৰাৰ প[illegible] পৰীক্ষণ উদ্দেশ্যত (testing objectives) চকু ফুৰাইছে। প্ৰশ্নকাকতখনৰ মূলতঃ কোনটো দিশত শিক্ষকজনে গুৰুত্ব দিছে?

(1) বিষয়বস্তু সামৰি লোৱাত

(2) প্ৰশ্নবোৰৰ প্ৰকাৰত

(3) বিশ্বাসযোগ্যতাত

(4) বৈধতাত

**102.** তলৰ কোনটো পঠনৰ অসুবিধাৰ লক্ষণ নহয়?

(1) বৰ্ণ আৰু শব্দ চিনি পোৱাত অসুবিধা

(2) বানানৰ সামঞ্জস্যত অসুবিধা

(3) পঠনৰ গতি আৰু অনৰ্গলতাত অসুবিধা

(4) শব্দ আৰু ধাৰণা বুজি পোৱাত অসুবিধা

**103.** ভাষাৰ প্ৰকৃতি সন্দৰ্ভত তলৰ কোনটো উক্তি শুদ্ধ নহয়?

(1) প্ৰতিটো ভাষাৰে নিজস্ব গঠন থাকে।

(2) সংস্কৃতি আৰু সভ্যতাৰ লগত ভাষা সম্পৰ্কিত।

(3) ভাষাই সৰলৰ পৰা জটিললৈ গতি কৰে।

(4) ভাষা সংশ্লেষণৰ পৰা বিশ্লেষণলৈ যায়।

**104.** তলত দিয়া কোনটো শ্ৰেণীকোঠাৰ অনুশীলনে ভাষাৰ মৌখিক ক্ষমতা বিকাশ সক্ষম কৰি তোলে?

(1) শিক্ষকৰ সৈতে সমস্বৰে পাঠ্যপুথিৰ অন্তৰ্গত কাহিনী এটা পঢ়া

(2) শব্দৰ শুদ্ধ উচ্চাৰণ সমস্বৰে অনুশীলন কৰা

(3) এককভাৱে পদ্য মুখস্থ কৰি আবৃত্তি কৰা

(4) প্ৰিয় কাহিনী একোটাৰ চৰিত্ৰ ৰূপায়ণত অংশগ্ৰহণ কৰা

**105.** দ্ৰুত পঠনৰ উদ্দেশ্য হৈছে—

(1) আগ্ৰহ উদ্ৰেক কৰা

(2) নিৰ্দিষ্ট বিষয়-বৰ্ণন জনা

(3) বিস্তৃত পাঠ

(4) তথ্য বিচৰা

*নিৰ্দেশ* : তলত দিয়া ৰচনাখণ্ড মনোযোগেৰে পঢ়ি (প্ৰশ্ন নং **106**-ৰ পৰা **114** লৈ) আটাইতকৈ উপযুক্ত বিকল্প উত্তৰ বাচি উলিওৱাঁ :

ৰাজগৃহৰ পৰা বুদ্ধই ৰাজগৃহ আৰু নালন্দাৰ মাজত থকা অম্ৰলট্ঠিকাত আহি উপস্থিত হ'ল। তাতে ভিক্ষুসকলক ধৰ্মোপদেশ দি তেখেত নালন্দালৈ আহিল। নালন্দাত স্থানীয় প্ৰাবাৰিক আম্ৰকুঞ্জত শাৰীপুত্ৰৰ লগত বুদ্ধৰ সাক্ষাৎ হয় আৰু দুজনৰ মাজত বহুত ধৰ্মালোচনা হয়। নালন্দাৰ পৰা বুদ্ধই সকলো শিষ্যক লৈ পাটলিগাঁৱত (বৰ্তমান পাটনা) আহি তাত থকা অতিথিশালাত অৱস্থান কৰিলে। ইয়াতে তেখেতে ৰাইজক শীল ভংগৰ পৰিণাম আৰু শীল পালনৰ পুৰস্কাৰৰ কথা বৰ্ণনা কৰে। তেতিয়া সুনীধ আৰু বৰ্ষকাৰ নামৰ মগধৰ দুজন মন্ত্ৰী বৃজীসকলৰ আক্ৰমণ নিবাৰণৰ বাবে পাটলিগ্ৰামত নগৰ নিৰ্মাণৰ কাম কৰি আছিল। এই সংবাদ শুনি বুদ্ধই ভৱিষ্যৎবাণী কৰিছিল এই বুলি যে—সকলো মহানগৰ আৰু বাণিজ্যকেন্দ্ৰৰ মাজত এই নগৰ শ্ৰেষ্ঠতম হ'ব। কিন্তু অগ্নি, বৰুণ আৰু আন্তঃবিবাদৰ দ্বাৰা এই নগৰ ধ্বংস হোৱাৰ সম্ভাৱনা আছে। মগধৰ মন্ত্ৰী দুজনৰ অনুৰোধত বুদ্ধই সশিষ্যে নগৰ উদ্বোধনী উৎসৱৰ নিমন্ত্ৰণ ৰক্ষা কৰি নগৰ উদ্বোধন কৰিলে। বুদ্ধৰ পৱিত্ৰ স্মৃতি যুগমীয়া কৰিবৰ মানসেৰে যিখন দ্বাৰেৰে বুদ্ধই নগৰত প্ৰৱেশ কৰিছিল সেই দ্বাৰৰ নাম ৰখা হ'ল গৌতমদ্বাৰ আৰু যি বাটেৰে বুদ্ধই গংগা পাৰ হৈছিল সেই ঠাইখনৰ নাম ৰখা হ'ল গৌতমতীৰ্থ বা বুদ্ধতীৰ্থ। গংগা পাৰ হৈ বুদ্ধই সকলো শিষ্যক লৈ কোটিগাঁৱত গৈ উপস্থিত হ'ল। এই কোটিগাঁৱতেই সকলোকে তেওঁ আৰ্যসত্য সম্পৰ্কে ধৰ্মোপদেশ দিয়ে। আৰ্যসত্য বুদ্ধৰ শ্ৰেষ্ঠতম উপদেশ। সাৰনাথত তেখেতে পঞ্চ ভিক্ষুৰ ওচৰত সৰ্বপ্ৰথম ধৰ্মোপদেশ দিয়াৰ সময় চাৰি আৰ্যসত্যৰ বৰ্ণনা কৰিছিল। আৰ্যসত্যৰ ব্যাখ্যা কৰিছিল। ধৰ্মপ্ৰচাৰৰ দুকুৰি পাঁচ বছৰকাল সময়ত তেখেতে বিভিন্ন স্থানত বিভিন্নভাৱে বিভিন্নজনৰ ওচৰত চাৰি আৰ্যসত্যৰ কথা ব্যাখ্যা কৰিছে। সেই বাবেই কোৱা হৈছে সমগ্ৰ *ত্ৰিপিটক* এই চাৰি আৰ্যসত্যৰ বহুল বৰ্ণনা মাত্ৰ।

কোটিগাঁৱৰ পৰা বুদ্ধ আহি উপস্থিত হ'ল কোটিগাঁও আৰু বৈশালীৰ মাজত অৱস্থান কৰা নাতিকা নামৰ স্থানত। নাতিকাৰ নাম—নাদিকা, নাদিক, ঞাতিক ইত্যাদি উচ্চাৰণতো পোৱা যায়। এই অঞ্চলৰ অধিবাসীসকল বুদ্ধভক্ত আছিল আৰু তেওঁলোকে ইটাৰে নিৰ্মিত এটা বিহাৰ প্ৰতিষ্ঠা কৰিছিল যাৰ নাম আছিল গিঞ্জকাবসথ। পৰৱৰ্তী সময়ত এই বিহাৰ মহাবিহাৰত পৰিণত হৈছিল। নাতিকাতে



www.prepp.in

বুদ্ধই ‘ধম্মাদাস’ নামৰ ধৰ্ম পৰ্যায়ৰ দেশনা কৰে। ইয়াৰ পিছত বুদ্ধ বৈশালীত উপস্থিত হয়। বৈশালীৰ পৰা বেলুগাঁৱলৈ আহি বুদ্ধই বৰ্ষাবাস যাপন কৰাৰ মনস্থ কৰে। বাকী ভিক্ষুসকলক বৈশালীৰ ওচৰ-পাঁজৰত থাকি মিত্ৰ, পৰিচিত আৰু বন্ধু ভিক্ষুসকলৰ লগত একত্ৰিত হৈ বৰ্ষাবাস উদ্‌যাপন কৰিবলৈ তেওঁ পৰামৰ্শ দিয়ে। বেলুগাঁৱলৈ অহাৰ আগতে যেতিয়া বৈশালীত আছিল তেতিয়াই আম্ৰপালীক বুদ্ধই দীক্ষা দিয়ে।

www.prepp.in

**106.** বৃজীসকলৰ আক্ৰমণ প্ৰতিৰোধ কৰিবৰ কাৰণে কাৰ তত্ত্বাৱধানত পাটলিগ্ৰামত নগৰ নিৰ্মাণৰ কাম চলিছিল ?

(1) গৌতম বুদ্ধৰ

(2) শাৰীপুত্ৰৰ

(3) সুনীধ আৰু বৰ্ষকাৰৰ

(4) বৰ্ষকাৰ আৰু শাৰীপুত্ৰৰ

**107.** বুদ্ধই যি বাটেৰে গংগা পাৰ হৈছিল, সেই ঠাইখনৰ নাম ৰখা হৈছিল—

(1) গৌতমদ্বাৰ

(2) গৌতমতীৰ্থ

(3) কোটিগাঁও

(4) পাটলিগাঁও

**108.** উদ্ধৃত দফাটোত বুদ্ধৰ পৰিভ্ৰমণৰ বৰ্ণনা পোৱা যায়। এই বৰ্ণনাৰ এটা ক্ৰম হৈছে— (কাঁড় চিহ্নৰে দেখুওৱা অনুসৰি)

(1) নালন্দা বৈশালী পাটলিপুত্ৰ

(2) গৌতমদ্বাৰ গৌতমতীৰ্থ ৰাজগৃহ

(3) বৈশালী কোটিগাঁও বুদ্ধতীৰ্থ

(4) কোটিগাঁও নাতিকা বৈশালী

**109.** ‘দ্বাৰ’ শব্দটোৰ সমাৰ্থক [illegible] উলিওৱা—

(1) কপাট

(2) বাতায়ন

(3) দ্বাৰপাল

(4) পদুলি

**110.** বুদ্ধই পদাৰ্পণ কৰা অম্ৰলট্‌ঠিকা ক’ত আছিল ?

(1) নালন্দাত

(2) কোটিগাঁও আৰু বৈশালীৰ মাজত

(3) পাটলিগ্ৰামত

(4) ৰাজগৃহ আৰু নালন্দাৰ মাজত

**111.** ‘গিঞ্জকাবসথ’ হৈছে—

(1) নাতিকা অঞ্চলৰ অধিবাসীসকলে নিৰ্মাণ কৰা এক আম্ৰকুঞ্জ।

(2) বৈশালীৰ অধিবাসীসকলে নিৰ্মাণ কৰা এক অতিথিশালা।

(3) নাতিকা অঞ্চলৰ অধিবাসীসকলে নিৰ্মাণ কৰা এক বিহাৰ।

(4) বৈশালীৰ অধিবাসীসকলে নিৰ্মাণ কৰা এক মঠ।

**112.** গৌতম বুদ্ধৰ শ্ৰেষ্ঠতম ধৰ্মোপদেশক কি বুলি জনা যায় ?

www.prepp.in

(1) আৰ্যসত্য

(2) বুদ্ধবচন

(3) ত্ৰিপিটক

(4) পঞ্চশীল

**113.** বুদ্ধদেৱৰ ধৰ্মপ্ৰচাৰৰ সময়সীমা আছিল—

(1) সমগ্ৰ জীৱন

(2) দুকুৰি বছৰ

(3) দুকুৰি পাঁচ বছৰ

(4) কোনো সময়সীমা নাছিল

**114.** 'ধৰ্মোপদেশ' শব্দটোৰ সন্ধি কেনেদৰে ভাঙিব পৰা যাব ?

(1) ধৰ্মৰ উপদেশ আৰু আলোচনা

(2) ধৰ্মালোচনা

(3) ধৰ্ম + আলোচনা

(4) ধৰ্ম + উপদেশ

*নিৰ্দেশ* : তলত উদ্ধৃত কৰা কবিতাফাঁকিৰ তলত দিয়া প্ৰশ্নবোৰৰ (প্ৰশ্ন নং **115**-ৰ পৰা **120** লৈ) প্ৰতিটোৰে চাৰিটাকৈ বিকল্প উত্তৰ দিয়া হৈছে। আটাইতকৈ উপযুক্ত বিকল্পটো নিৰ্বাচন কৰাঁ :

এদিন ৰাতি মই এখন নতুন দেশলৈ গৈছিলো।
সেই দেশৰ হৃদয় জুৰি আছিল তাৰকাখচিত
উজ্জ্বল নীলা এখন পতাকা।

সাগৰৰ বতাহ আহি পতাকাখনত ঢৌ তুলিছিল ঃ
প্ৰেমৰ কোমল ঢৌ। অন্ধকাৰে ঢাকি থোৱা
অৰণ্যৰ মাজৰ পৰা উৰি আহিছিল
গৰখীয়া ল'ৰাৰ পেঁপাৰ সুৰৰ দৰে
এটি মুকলি সুৰ।

সেই সুৰ শুনি আহত পশুৰ দৰে
মই ল'ৰি পলাই আহিছিলো মোৰ দেশলৈ।
বৃন্তৰ ফুলৰ দৰে মোৰ উভতি অহাৰ
বাটে-বাটে নীলা পতাকাখনৰ উজ্জ্বল তৰাবোৰ
খহি পৰিছিল এটি-এটি কৰি।

মোৰ দেশ, মোৰ স্বদেশ, মোৰ প্ৰথম প্ৰেমৰ উন্মেষ
তোৰ সাতসৰী যেন সাতোখন নদী
প্ৰেমৰ কি যে গভীৰ সহানুভূতি
তাক মই কিদৰে পাহৰিম ?

**115.** কবিয়ে তেওঁৰ নিজৰ দেশৰ 'সাতোখন নদী'ক কিহৰ সৈতে তুলনা কৰিছে ?

(1) নাৰীৰ সৈতে

(2) অলংকাৰ বিশেষৰ সৈতে

(3) প্ৰেমৰ সৈতে

(4) গৰখীয়া ল'ৰাৰ পেঁপাৰ সুৰৰ সৈতে

116. কবিতাফাঁকিত উল্লেখ কৰা ৰাতিটোত কবি ক'লৈ লৈ গৈছিল ?

www.prepp.in

(1) সাগৰ তীৰলৈ

(2) নদীৰ পাৰলৈ

(3) অৰণ্যৰ মাজলৈ

(4) এখন নতুন দেশলৈ

117. 'উজ্জ্বল' শব্দটোৰ বিপৰীত শব্দটো হৈছে

(1) পোহৰ

(2) নিষ্প্ৰভ

(3) অন্ধকাৰ

(4) সমুজ্জ্বল

118. কবিয়ে উল্লেখ কৰা পতাকাখন কেনেকুৱা আছিল ?

(1) অন্ধকাৰে ঢাকি থোৱা

(2) উজ্জ্বল পোহৰেৰে ভৰা

(3) মণি-মুকুতা সাতসৰীৰে ভৰা

(4) তৰা লগাই থোৱা আৰু নীলা

119. কবিয়ে ক'ৰ পৰা ক'লৈ পলাইছিল ?

(1) নতুন দেশখনৰ পৰা নিজৰ দেশখনলৈ

(2) নিজৰ দেশখনৰ পৰা নতুন দেশখনলৈ

(3) নতুন দেশখনৰ পৰা সাগৰৰ পাৰলৈ

(4) নতুন দেশখনৰ পৰা অৰণ্যৰ মাজলৈ

120. "মোৰ দেশ, মোৰ স্বদেশ, মোৰ প্ৰথম প্ৰেমৰ উন্মেষ"—এই শাৰীটোত তলত উল্লেখ কৰা কোনবিধ কাব্যালংকাৰৰ প্ৰয়োগ ঘটিছে ?

(1) উপমা

(2) প্ৰতীক

(3) চিত্ৰকল্প

(4) অন্ত্যানুপ্ৰাস

Prepp
Your Personal Exams Guide

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা–II (Language–II)** হিচাপে লৈছে, তেনেহ'লে **Part–V** ৰ **(প্ৰশ্ন নং 121-ৰ পৰা 150 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part–V (Q. Nos. 121–150)**, if they have opted **ASSAMESE** as **Language–II** only.

# Part—V / খণ্ড—V

## Language—II / ভাষা—II

## Assamese / অসমীয়া

Prepp
Your Personal Exams Guide

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো ভাষা**–II (Language–II)** হিচাপে লৈছে, তেনেহ'লে **Part–V** ৰ **(প্ৰশ্ন নং 121-ৰ পৰা 150 লৈ)** উত্তৰ কৰিব।

*নিৰ্দেশ* : তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং **121**-ৰ পৰা **135** লৈ) তলত চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে। আটাইতকৈ উপযুক্ত বিকল্প উত্তৰটো বাচি উলিওৱাঁ :

**121.** প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শ্ৰৱণ আৰু কথন দক্ষতা বৃদ্ধিৰ কাৰণে তলত উল্লেখ কৰা কোনটো কৌশল আটাইতকৈ উপযোগী?

(1) কাহিনীকথন আৰু শ্ৰুতলিপি প্ৰদান

(2) কবিতা আবৃত্তি আৰু ভাষাৰ প্ৰয়োগশালা

(3) অভিনয় তথা চৰিত্ৰায়ন আৰু বাতৰি পঠন

(4) অভিনয় তথা চৰিত্ৰায়ন আৰু কথোপকথন

**122.** ভাষাত নিদানমূলক বা উপচাৰাত্মক শিক্ষণ (remedial teaching)-ৰ উদ্দেশ্য হৈছে—

(1) ছাত্ৰ-ছাত্ৰীৰ আৰম্ভণি পৰ্যায়ৰ ভুলবোৰ শুধৰোৱা

(2) জ্ঞানৰ লগত জৰিত ভুলবোৰ শুধৰোৱা

(3) ছাত্ৰ-ছাত্ৰীৰ আত্মবিশ্বাস বৃদ্ধি কৰা

(4) ওপৰত উল্লেখ কৰা গোটেইকেইটা

**123.** ভাষাৰ সাধাৰণ জ্ঞান তথা বোধ বিচাৰ মূল্যায়ন কৰিবৰ কাৰণে কেনেধৰণৰ প্ৰশ্ন আটাইতকৈ উপযুক্ত?

(1) অতি চমু উত্তৰৰ প্ৰশ্ন

(2) দীঘল উত্তৰৰ প্ৰশ্ন

(3) ৰচনাত্মক প্ৰশ্ন

(4) বস্তুনিষ্ঠ প্ৰশ্ন

**124.** "ভাষা শিকাৰ সহজাত প্ৰবৃত্তি শিশুবোৰে জন্মতে লৈ আহে।" এই উক্তিটো কোনজন ভাষাবিদৰ?

(1) জ্যঁ পিয়াঁযে

(2) ছমস্কী

(3) ৰাইগট্‌স্কী

(4) পাভলভ

**125.** তোমাৰ অঞ্চললৈ এজনী ছোৱালী হিন্দী ভাষা বলয়ৰ আহি তোমাৰ ভাষাটো ব্যৱহাৰ কৰোঁতে ভুল কৰিছে। এই ক্ষেত্ৰত এগৰাকী ভাষাৰ শিক্ষক হিচাপে তলত দিয়া কোনটো উক্তিক তুমি শুদ্ধ বুলি বিবেচনা কৰিবা?

(1) ছোৱালীজনীক তাই কৰা ভুলবোৰ বাৰে বাৰে সোঁৱৰাই দিব লাগিব।

(2) তাইক ভাষাটো ব্যৱহাৰ কৰাৰ আৰু বেছি সুযোগ দিব লাগিব।

(3) নতুন ভাষাটো প্ৰতিদিনে আধাঘণ্টাকৈ অনুশীলন কৰিবলৈ তাইক কোৱা উচিত।

(4) নতুন ভাষাটো প্ৰয়োগ কৰোঁতে তাইৰ মাতৃভাষাৰ প্ৰভাৱ পৰিবলৈ দিব নালাগিব।

**126.** তলত দিয়া উদ্দেশ্যবোৰৰ কোনটোৰ কাৰণে ভাষা শিকাৰ আৱশ্যকতা নাই ?

(1) জীৱনৰ বিভিন্ন স্তৰবোৰ জানিবলৈ

(2) ভাষা বোধ আয়ত্ত কৰিবলৈ

(3) অভ্যন্তৰৰ স্বৰ শুনিব আৰু ক'বৰ কাৰণে

(4) জীৱনৰ বিভিন্ন প্ৰয়োজন পূৰ কৰিবলৈ

**127.** ভাষাৰ সন্দৰ্ভত ৰচনাত্মক ধৰণৰ পৰীক্ষাৰ সুবিধা তলত দিয়া কোনটো ?

(1) ই শিশু এটাৰ চিন্তাক শৃংখলাবদ্ধ কৰি লিখিত ভাষাত প্ৰকাশ কৰাৰ ক্ষমতা মূল্যায়নত সহায় কৰে।

(2) ই ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ কাৰণে মাত্ৰ কেইটামান প্ৰশ্ন শিকাত সহায় কৰে।

(3) ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাৰ কাৰণে মাত্ৰ কেইটামান প্ৰশ্নৰহে প্ৰস্তুতি কৰিব লাগে কাৰণে সময় ৰাহি হয়।

(4) ই এনে পৰীক্ষাই সমগ্ৰ পাঠ্যক্ৰম সামৰি লয়।

**128.** বিশেষভাৱে সক্ষম তথা দিব্যাংগ শিশুৰ লিখন দক্ষতা অনুশীলনত _____ প্ৰয়োজন হয়।

(1) চিন্তাৰ মৌলিকতাৰ

(2) প্ৰতীকি ভাষাৰ প্ৰয়োগৰ

(3) শুদ্ধ শব্দসম্ভাৰৰ ব্যৱহাৰৰ

(4) ভাল হাতৰ আখৰৰ

**129.** ভাষাৰ নিৰন্তৰ আৰু সৰ্বাত্মক মূল্যায়নৰ সময়ত তলত উল্লেখ কৰা কোনটোত গুৰুত্ব দিয়া উচিত ?

(1) শুদ্ধ শব্দসম্ভাৰ

(2) প্ৰকল্প কাৰ্য

(3) শুদ্ধ উচ্চাৰণ

(4) বিভিন্ন প্ৰসংগত ভাষাটো ব্যৱহাৰ কৰিব পৰা ক্ষমতা

**130.** বহুভাষিকতা হৈছে

(1) ভাষা শিক্ষণৰ ক্ষেত্ৰত বাধা বা হেঙাৰ

(2) ভাষা উৎসৱ কাৰণে ক্ষতিকাৰক

(3) ভাষা শিকনৰ কাৰণে এক গুৰুত্বপূৰ্ণ উৎস

(4) ভাষা শিকনৰ অসুবিধাৰ সৃষ্টিকাৰক

**131.** ভাষাৰ প্ৰাথমিক ৰূপ হৈছে

(1) সংকেত ভাষা

(2) ব্যাকৰণ

(3) লিখিত ভাষা

(4) মৌখিক ভাষা

**132.** প্ৰাথমিক পৰ্যায়ত সাধু আৰু পদ্যৰ ক্ষেত্ৰত কোনটো দিশ আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি তুমি বিবেচনা কৰিবা ?

(1) সাধু আৰু পদ্যবোৰ নীতিশিক্ষামূলক হোৱা উচিত।

(2) সাধু আৰু পদ্যবোৰ শব্দসম্ভাৰত সমৃদ্ধ হোৱা উচিত।

(3) বিভিন্ন গুৰুত্বপূৰ্ণ নাম আৰু উদাহৰণৰ পুনৰাবৃত্তি হোৱা উচিত।

(4) সেইবোৰ মহত্ত্বপূৰ্ণ লেখক বা কবিৰ দ্বাৰা লিখা হোৱা উচিত।

**133.** ভাষাৰ ব্যাকৰণ শিক্ষাই তলৰ কোনটো উন্নত কৰাত সহায় কৰে ?

(1) শুদ্ধতা

(2) অনৰ্গলতা

(3) সংখ্যাত্মকতা

(4) সাক্ষৰতা

**134.** তলত দিয়া কোনটো লিখন প্ৰথাৰ অন্তৰ্ভুক্ত ?

(1) কাহিনীৰ ধাৰণা

(2) কল্পনা

(3) বিৰাম চিহ্ন (punctuation)-ৰ শুদ্ধ প্ৰয়োগ

(4) ভাল শব্দসম্ভাৰ

**135.** ভাষা মূল্যায়নৰ মুখ্য উদ্দেশ্য

(1) শিক্ষাৰ্থীৰ ভুলবোৰ বিচাৰি উলিওৱা

(2) ছাত্ৰ-ছাত্ৰীৰ পদোন্নতিৰ কাৰণে প্ৰদৰ্শনৰ বিচাৰ কৰা

(3) ছাত্ৰ-ছাত্ৰীৰ কৃতকাৰ্যতাৰ হিচাপ লোৱা

(4) শিকন-অন্তৰ (gaps in learning) চিহ্নিত কৰি তাৰ নিদান বা উপচাৰৰ ব্যৱস্থা কৰা

www.prepp.in

*নিৰ্দেশ* : তলত দিয়া দফাটো মনোযোগেৰে পঢ়ি (প্ৰশ্ন নং **136**-ৰ পৰা **143**-লৈ) আটাইতকৈ উপযুক্ত বিকল্পটো নিৰ্বাচন কৰি উত্তৰ কৰাঁ :

প্ৰচলিত ধাৰণা এনেকুৱা যে মধ্যযুগৰ য়ুৰোপ কু-সংস্কাৰত ডুব গৈ আছিল, আৰু চৈধ্য-পোন্ধৰ শতিকাত ইটালিৰ পৰা বিয়পি পৰা নবযুগে সেই অমানিশাৰ মোহনিদ্ৰাৰ পৰা য়ুৰোপক মুক্তি দিলে। অথচ য়ুৰোপৰ কেইবাখনো প্ৰসিদ্ধ প্ৰাচীন বিশ্ববিদ্যালয় [পাৰি বা পেৰিছ, হাইডেলবাৰ্গ, অক্সফৰ্ড, কেম্ব্ৰিজ্ (কিছু পলমকৈ), বলোনা, প্ৰাহা ইত্যাদি] মধ্যযুগতে দ্বাদশ বা ত্ৰয়োদশ শতিকাতে স্থাপিত হৈছিল। তাত অতি মেধাৱী আৰু অধ্যয়নপুষ্ট পণ্ডিতে বিদ্যা-চৰ্চা আৰু শিক্ষাদান কৰিছিল। শিক্ষাৰ মাধ্যম লাতিন হোৱা বাবে বিভিন্ন দেশৰ পণ্ডিতে সেইবোৰত অধ্যয়ন-অধ্যাপনা কৰি ঘূৰি ফুৰিছিল।

প্ৰথমতে বিশ্ববিদ্যালয়বোৰক ‘স্কুল’ বোলা হৈছিল আৰু পণ্ডিতসকলক ‘স্কলাৰ’ বোলা হৈছিল। পৰৱৰ্তীকালত ইংলেণ্ডত ‘কলেজ’ শব্দটো বেছি জনপ্ৰিয় হয়। প্ৰাচীন ‘ইউনিভাৰ্ছিটি’ আছিল কেবাখনো কলেজৰ এটা থুপ, য’ত প্ৰতিখন কলেজৰ স্বতন্ত্ৰতা বাচি থাকে। এইবোৰ স্বশাসিত স্বতন্ত্ৰ প্ৰতিষ্ঠান। প্ৰতিখন কলেজে নিজেই বাছ-বিচাৰ কৰি সদস্য (Fellow) নিৰ্বাচন কৰে আৰু এনেকৈ যুগ যুগ ধৰি কলেজৰ স্বতন্ত্ৰ শাসন চলি থাকে। মেধাৰ ভিত্তিত ছাত্ৰ গ্ৰহণ কৰা হয়। ছাত্ৰবিলাকে কলেজত থকা সময়ত পোছাকৰ ওপৰত বাদুলীৰ দৰে আঁঠুলৈ পৰা গাউন পৰিধান কৰা সৌ সিদিনালৈকে বাধ্যতামূলক আছিল আৰু ফেলোসকলে সৰু গাঁঠিলৈ পৰা গাউন বা হলৌচোলা পিন্ধা নিয়ম আছিল।

পৰৱৰ্তীকালত য়ুৰোপীয় পণ্ডিতসকলে প্ৰাচ্য আৰু পাশ্চাত্যৰ সভ্যতাৰ মাজত কঠোৰ সীমা নিৰ্ধাৰণ কৰিলেও য়ুৰোপৰ বিশ্ববিদ্যালয়বোৰত মেধা-চৰ্চাৰ অনুপ্ৰেৰণা আহিছিল কিন্তু আৰব জগতৰ আৰ্হি আৰু প্ৰেৰণাৰ পৰা। খ্ৰীষ্টানৰ পৱিত্ৰ স্থান জেৰুছালেম উদ্ধাৰৰ বাবে এসময়ত কেথলিক ধৰ্মমণ্ডলীৰ প্ৰধান পোপৰ উদগনিত বহুদশক জুৰি যি ক্ৰুছেড বা ধৰ্মযুদ্ধ চলিছিল, তাৰ জৰিয়তে য়ুৰোপীয়সকলে আৰবসকলৰ সান্নিধ্যত এক উন্নত সভ্যতাৰ সংস্পৰ্শলৈ আহিছিল। আৰব পণ্ডিতসকলে আকৌ গ্ৰীক-ৰোমান সভ্যতাৰ পৰা মূলধন আহৰণ কৰি গণিত, তৰ্কশাস্ত্ৰ, ঈশ্বৰতত্ত্ব, দৰ্শন, চিকিৎসাবিদ্যা অ[illegible] অৱদান দি মানৱীয় জ্ঞানৰ ভঁৰাল চহকী কৰিছিল। (আৰবী গ্ৰন্থত প্লেটোৰ নাম ‘আফ্লাতুন্’ আৰু আৰিস্ততলৰ নাম ‘আৰিস্ত’) সেই [আৰব পণ্ডিতসকলৰ মাজত ইবন্ ৰুশ্বদ্ (য়ুৰোপীয় পণ্ডিতৰ মাজত আৱে’ৰ্ৰুছ—Averroes) নামে প্ৰসিদ্ধ], ইবন্ চিনা (Avicenna বা আৱিচেন্না) আদি অনেকে গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল য়ুৰোপীয় বিশ্ববিদ্যালয়বোৰত। বিশেষকৈ য়ুৰোপীয় মনীষাৰ ওপৰত প্ৰায় এক শতাব্দীকাল আৱে’ৰ্ৰুছে একচ্ছত্ৰী প্ৰভাৱ বিস্তাৰ কৰাৰ পিছত ছে’ন্ট্ টমাছ আকোৱাইনাছে ‘ছুম্মা থিয়’লজিকা’ (Summa Theologica) নামৰ গ্ৰন্থৰে আৱে’ৰ্ৰুছৰ প্ৰখৰ যুক্তিজাল খণ্ডণ কৰি পৰম্পৰাগত খ্ৰীষ্টিয় ধৰ্মবিশ্বাস পুনৰ আৰিস্ত’তেলীয় ভিত্তিত দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিছিল। অৰ্থাৎ দেশ-বিদেশৰ মাজত জ্ঞান আৰু বিদ্যাৰ সহজ আৰু অব্যাহত যোগাযোগ আৰু বিনিময়েহে মানৱীয় জ্ঞান-বিজ্ঞানৰ উন্নতিসাধন কৰে। জ্ঞানক যেতিয়া কেৱল সম্পত্তিৰ ৰূপত চোৱা হয়, তেতিয়া আৰু সেইটো সম্ভৱ নহয়।

**136.** বহু দশক জুৰি চলা ক্ৰুছেড বা ধৰ্মযুদ্ধ কাৰ উদগনিত চলিছিল ?

(1) য়ুৰোপৰ অনা-খ্ৰীষ্টান জনতাৰ

(2) য়ুৰোপৰ সকলো ধৰ্মাৱলম্বীৰ

(3) কেথলিক ধৰ্মমণ্ডলীৰ প্ৰধান পোপৰ

(4) প্ৰটেষ্টান্ট ধৰ্মমণ্ডলীৰ অনুগামীসকলৰ

**137.** আৰবী গ্ৰন্থত প্লেটোৰ নাম কি বুলি উল্লেখ কৰিছিল ?

(1) আৰিস্ত

(2) আফ্লাতুন্

(3) আৱিচেন্না

(4) আৱে’ৰ্ৰুছ

www.prepp.in

**138.** অক্সফৰ্ড, পাৰি, হাইডেলবাৰ্গ আদি প্ৰসিদ্ধ য়ুৰোপীয় বিশ্ববিদ্যালয় স্থাপিত হৈছিল—

(1) দ্বাদশ-ত্ৰয়োদশ শতিকাত

(2) ত্ৰয়োদশ-চতুৰ্দশ শতিকাত

(3) চতুৰ্দশ-পঞ্চদশ শতিকাত

(4) সপ্তদশ-অষ্টাদশ শতিকাত

**139.** য়ুৰোপীয় মনীষাৰ ওপৰত প্ৰায় একশতিকা জুৰি একচ্ছত্ৰী প্ৰভাৱ বিস্তাৰ কৰা পণ্ডিতগৰাকী আছিল—

(1) প্লেটো

(2) আৰিস্ততল

(3) আৱে'ৰ্ৰুছ

(4) ছে'ন্ট টমাছ আকোৱাইনাছ

**140.** মধ্যযুগীয় য়ুৰোপৰ বিশ্ববিদ্যালয়সমূহত শিক্ষাৰ মাধ্যম আছিল—

(1) লাতিন

(2) গ্ৰীক

(3) ইংৰাজী

(4) আৰৱী

**141.** ‘ছুম্মা থিয়’লজিকা’ নামৰ গ্ৰন্থখনৰ প্ৰণেতা কোন ?

(1) ইবন্ ৰুশ্বড্

(2) ইবন্ চিনা

(3) ছে'ন্ট টমাছ আকোৱাইনাছ

(4) কেথলিক ধৰ্মমণ্ডলীৰ প্ৰধান পোপ

**142.** প্ৰাচীন ‘ইউনিভাৰ্ছিটি’ আছিল—

(1) কেইবাখনো ইউনিভাৰ্ছিটিৰ এটা থূল

(2) স্বতন্ত্ৰ শাসন ব্যৱস্থা নথকা এক শিক্ষা ব্যৱস্থা

(3) কেইবাখনো কলেজৰ এটা থূল, য’ত কলেজবোৰৰ স্বতন্ত্ৰতা নাথাকে

(4) কেইবাখনো কলেজৰ এটা থূল, য’ত প্ৰতিখন কলেজৰ স্বতন্ত্ৰতা বাচি থাকে

**143.** “... পোছাকৰ ওপৰত বাদুলীৰ দৰে আঁঠুলৈ পৰা গাউন” কোনে পৰিধান কৰিছিল বুলি উল্লেখ কৰা হৈছে ?

(1) ছাত্ৰসকলে

(2) অধ্যাপকসকলে

(3) চাৰ্চৰ ফাদাৰসকলে

(4) প্ৰধান পোপে

Prepp
Your Personal Exams Guide

www.prepp.in

*নিৰ্দেশ* : তলৰ ৰচনাখণ্ড মনোযোগেৰে পঢ়া আৰু তাৰ তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং **144**-ৰ পৰা **150**লৈ) বিকল্প উত্তৰসমূহৰ মাজৰ পৰা আটাইতকৈ উপযুক্তটো বাচি উলিওৱাঁ :

ৰুদ্ৰসিংহৰ মৃত্যুৰ পাছতেই অসমৰ খাৰ প্ৰস্তুত উদ্যোগৰ ভেটিত তিতালাও গজিল। ডাঙৰ যুঁজবাগৰ বন্ধ হোৱাৰ পাছত খাৰ উৎপাদনৰ প্ৰয়োজনীয়তা কমি আহিল। ৰজা বিষয়া সকলোৱে ভোগ-বিলাসত মত্ত হৈ কাল কটাবলৈ আৰম্ভ কৰিলে। খাৰঘৰত জমা থকা খাৰবোৰৰ মিয়াদ ওকলাৰ পাছত নতুন খাৰেৰে পূৰ্ণ কৰাৰ ব্যৱস্থাও নাইকিয়া হ'ল। ইফালে ৰজাঘৰীয়া শোষণ উপদ্ৰৱত অতিষ্ঠ প্ৰজাই বিদ্ৰোহ ঘোষণা কৰিলে। ১৭১৪ চনত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ মৃত্যুৰ সুদীৰ্ঘ ৫২ বছৰৰ পাছত ১৭৬৬ চনৰ লতাকটা ৰণলৈ বুলিহে খাৰঘৰৰ দুৱাৰ খোলা হৈছিল। তাৰ তিনি বছৰৰ পাছত ১৭৬৯ চনত মোৱামৰীয়াসকলৰ বিৰুদ্ধে প্ৰয়োগ কৰিবলৈ যেতিয়া খাৰঘৰৰ দুৱাৰ খোলা হয় তেতিয়ালৈ সেইবোৰ জলীয়বাষ্প শোষণ কৰি কৰি খাৰ হৈ নাছিল। দানাকাৰ খাৰ গুচি লদা পাতিছিল। সেই খাৰকে তোপত ভৰাই জুই দিলত এজাই গুলীও নুফুটিল। অৱস্থাৰ সুযোগ লৈ মোৱামৰীয়াসকলৰ নেত্ৰী ৰাধা-ৰুক্মিণীয়ে ঘোষণা কৰি দিলে যে তেওঁলোকে আঁচল পাতি তোপৰ গুলী ধৰি ল'ব পাৰে। এই গুজৱ শুনি প্ৰজাৰ মাজৰ পৰাই সংগ্ৰহ কৰা অশিক্ষিত পাইক সৈন্যবাহিনীৰ মনোবল টুটিল। ৰজাঘৰৰ পতন হ'ল। মোৱামৰীয়াসকলৰ ৰজাঘৰীয়া সেনাৰ লগত হোৱা যুদ্ধৰ দুই-এখনত দুয়োপক্ষই আগ্নেয়াস্ত্ৰ ব্যৱহাৰ কৰাৰ নজিৰ আছে যদিও অসমীয়া খাৰ উদ্যোগে আৰু কেতিয়াও গা টঙাব নোৱাৰিলে। পৈণত খাৰঘৰীয়াসকল কোন ক'লৈ গ'ল তাৰ স্থিৰতা নাইকিয়া হ'ল। অৱস্থা এনে হ'লগৈ যে পূৰ্ণানন্দ বুঢ়াগোহাঁইয়ে ইউৰোপীয় আৰ্হিৰ প্ৰথমটো অসমীয়া পল্টন তৈয়াৰ কৰোঁতে ইষ্ট ইণ্ডিয়া কোম্পানিৰ পৰা নগদ ধন দি খাৰ কিনিবলগীয়া হ'লগৈ। এইদৰেই এসময়ত ফৰাছী দেশৰ সমপৰ্যায়ৰ খাৰ তৈয়াৰ কৰা উদ্যোগটোৰ পতন ঘটিল।

অসমত যুদ্ধক্ষেত্ৰৰ বাবে খাৰ তৈয়াৰ কৰাৰ পৰম্পৰাৰ অন্ত পৰিছিল যদিও মনোৰঞ্জনৰ সামগ্ৰী হিচাপে ইয়াক তৈয়াৰ কৰাৰ পৰম্পৰা অসমৰ সত্ৰ আৰু নামঘৰ[...] আছিল। সত্ৰ বা নামঘৰবোৰৰ ভাওনাত চৰিত্ৰবোৰ প্ৰৱেশৰ সময়ত পৰিৱেশ সৃষ্টিৰ বাবে ফিৰ্‌ফিৰি (ফুলজাৰি) জ্বলোৱাৰ এটা পৰম্পৰা আছিল। ফিৰ্‌ফিৰি তৈয়াৰ কৰোতে য-খাৰ আৰু এঙাৰৰ লগত গন্ধকৰ পৰিৱৰ্তে লোৰ গুৰি মিহলাই দিয়া হৈছিল। এই মিশ্ৰণটোৱে বিস্ফোৰণৰ সলনি পোহৰৰ খেলাৰহে সৃষ্টি কৰিছিল।

**144.** 'লতাকটা ৰণ' কেতিয়া সংঘটিত হৈছিল ?

(1) স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকালত

(2) ১৭৬৯ চনত

(3) স্বৰ্গদেউ ৰুদ্ৰসিংহৰ মৃত্যুৰ প্ৰায় আধা শতিকাৰ পাছত

(4) ১৭১৪ চনত

**145.** ইউৰোপীয় আৰ্হিৰ প্ৰথমটো অসমীয়া পল্টন তৈয়াৰ কৰাৰ সময় ক'ৰ পৰা খাৰ ক্ৰয় কৰিবলগীয়া হৈছিল ?

(1) ইউৰোপৰ পৰা

(2) আহোম স্বৰ্গদেউৰ পৰা

(3) মোৱামৰীয়া বিদ্ৰোহীসকলৰ পৰা

(4) ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা

www.prepp.in

146. মনোৰঞ্জনৰ সামগ্ৰী ‘ফিৰ্‌ফিৰি’ বা ‘ফুলজাৰি’ [illegible]ৰ কাৰণে প্ৰয়োজনীয় মিশ্ৰণটোত থকা উপাদান হৈছে—

(1) য-খাৰ, এণ্ডাৰ, লোৰ গুৰি

(2) য-খাৰ, এণ্ডাৰ, গন্ধক

(3) এণ্ডাৰ, লোৰ গুৰি, গন্ধক

(4) এণ্ডাৰ আৰু য-খাৰ

147. “ৰুদ্ৰসিংহৰ মৃত্যুৰ পাছতেই অসমৰ খাৰ উদ্যোগৰ ভেটিত তিতালাও গজিল।” এই উক্তিটোৰ অৰ্থ হৈছে—

(1) খাৰৰ পৰিৱৰ্তে লাওৰ উৎপাদন লাভজনক।

(2) ৰুদ্ৰসিংহই অসমৰ খাৰ উদ্যোগক অভিশাপ দিছিল।

(3) খাৰ উদ্যোগৰ পৰিৱৰ্তে কৃষিকৰ্মৰ প্ৰতি অসমৰ জনসাধাৰণ আগ্ৰহী হ’ল।

(4) অসমৰ খাৰ উদ্যোগ মৃতপ্ৰায় হ’ল।

148. মোৱামৰীয়া বিদ্ৰোহত মোৱামৰীয়া [illegible] কোন আছিল ?

Prepp
Your Personal Exams Guide

(1) স্বৰ্গদেউ ৰুদ্ৰসিংহ

(2) ৰাধা-ৰুক্মিণী

(3) পূৰ্ণানন্দ বুঢ়াগোঁহাই

(4) ইষ্ট ইণ্ডিয়া কোম্পানী

149. স্বৰ্গদেউ ৰুদ্ৰসিংহৰ মৃত্যু কেতিয়া হৈছিল ?

(1) ১৭১৪ চনত

(2) ১৭৬৬ চনত

(3) ১৭৬৯ চনত

(4) ১৮১৪ চনত

150. আহোম ৰজাঘৰ আৰু মোৱামৰীয়াসকলৰ মাজত হোৱা যুঁজত কোনে আগ্নেয়াস্ত্ৰৰ ব্যৱহাৰ কৰিছিল ?

(1) আহোম ৰজাঘৰে

(2) মোৱামৰীয়াসকলে

(3) দুই-এখন যুঁজত দুয়োপক্ষই

(4) ইতিমধ্যে অসমৰ খাৰ উদ্যোগ বন্ধ হৈ গৈছিল বাবে কোনো পক্ষই আগ্নেয়াস্ত্ৰ ব্যৱহাৰৰ নজিৰ নাই

Prepp Your Personal Exam Guide

SPACE FOR ROUGH WORK

Prepp
Your Personal Exams Guide

Prepp Your Personal Exam Guide

www.prepp.in

*তলত দিয়া নিৰ্দেশাৱলী মনোযোগেৰে পঢ়া :*

Prepp
Your Personal Exams Guide

1. ভিন্ ভিন্ প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষণ-বহীত দিয়া আছে। প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে মনোযোগেৰে পঢ়িবা।

2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰটো OMR উত্তৰ-বহীৰ **দ্বিতীয় পিঠিত কলা/নীলা বল পেনেৰে ঘূৰণীয়াকৈ বোলাই দিয়া। এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰ পৰিৱৰ্তন কৰিব নোৱাৰা।**

3. উত্তৰ-বহীখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-বহীৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন।

4. পৰীক্ষণ-বহী আৰু উত্তৰ-বহী মনোযোগেৰে ব্যৱহাৰ কৰিবা। কাৰণ পৰীক্ষণ-বহী আৰু উত্তৰ-বহীৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প পৰীক্ষণ-বহী আৰু উত্তৰ-বহী দিয়া নহ'ব।

5. পৰীক্ষণ-বহী/উত্তৰ-বহীত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবা।

6. OMR উত্তৰ-বহীত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰ দ্বাৰা পঢ়া হ'ব। সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নোৱাৰিব।

7. পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহত প্ৰৱেশ পত্ৰৰ বাহিৰে অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, ম'বাইল ফ'ন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে।

8. ম'বাইল ফ'ন, যি কোনো বেতাঁৰ সংযোগ সঁজুলি (আনকি চুইচ্‌ড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ অনাৰ অনুমতি নাই। এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষা গৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব।

9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব।

10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব।

11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ-বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ হস্তাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব। যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত হস্তাক্ষৰ নকৰে তেনেহ'লে উত্তৰ-বহী নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব।

12. ইলেক্ট্ৰনিক/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব।

13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব। সকলো অনুচিত কাৰ্যৰ বাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষণ-বহী আৰু উত্তৰ-বহী কোনো অংশকেই পৃথক কৰিব নোৱাৰিব।

15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে উত্তৰ-বহী নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষণ-বহী লগত নিব পাৰে।**

www.prepp.in

## निम्नलिखित निर्देशों को ध्यान से पढ़ें :

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर-पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **काले/नीले बॉलपॉइंट पेन** से भरें। एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है।
3. परीक्षार्थी सुनिश्चित करें कि इस उत्तर-पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ। परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें।
4. परीक्षा पुस्तिका एवं उत्तर-पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर-पत्र के संकेत या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं कराई जाएगी।
5. परीक्षा पुस्तिका/उत्तर-पत्र में दिए गए परीक्षा पुस्तिका संकेत व संख्या को परीक्षार्थी सही तरीके से हाजिरी-पत्र में लिखें।
6. OMR उत्तर-पत्र में कोडित जानकारी को एक मशीन पढ़ेगी। इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्विच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए। इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और उनके विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें।
11. कार्यरत निरीक्षक को अपना उत्तर-पत्र दिए बिना एवं हाजिरी-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे। यदि किसी परीक्षार्थी ने दूसरी बार हाजिरी-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर-पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा। **परीक्षार्थी अपने बाएँ हाथ के अँगूठे का निशान हाजिरी-पत्र में दिए गए स्थान पर अवश्य लगाएँ।**
12. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी बोर्ड के सभी नियमों एवं विनियमों द्वारा नियमित हैं। अनुचित साधनों के सभी मामलों का फैसला बोर्ड के नियमों एवं विनियमों के अनुसार होगा।
14. किसी हालत में परीक्षा पुस्तिका और उत्तर-पत्र का कोई भाग अलग न करें।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल/कक्ष छोड़ने से पूर्व उत्तर-पत्र निरीक्षक को अवश्य सौंप दें।** ***परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं।***

## READ THE FOLLOWING INSTRUCTIONS CAREFULLY :

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Black/Blue Ballpoint Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the Examination Hall/Room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the Examination Hall/Room. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against them including cancellation of examination.
9. Each candidate must show on demand his/her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his/her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic/Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Board with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Board.
14. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Hall/Room.** ***The candidates are allowed to take away this Test Booklet with them.***